অধ্যায় ১২ ঃ জন সম্পর্ক আৰু সমাজ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ জন সম্পর্কৰ ধাৰণা
১২.৪ জন সম্পর্কৰ এক সংক্ষিপ্ত ইতিহাস
১২.৫ জন সম্পর্কৰ বিষয়বস্তু আৰু পদ্ধতি
১২.৬ জন সম্পর্ক আৰু সমাজ
১২.৭ সাংবাদিকতা, জন সম্পর্ক আৰু জনমত
১২.৮ জন সম্পর্ক আৰু সমাজতত্ত্ব
১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১০ অধিক জানিবলৈ
১২.১১ অগ্রগতিৰ খতিয়ান
১২.১২ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক প্রথা হিচাপে জন সম্পর্কৰ প্রয়োজনীয়তা আৰু ইয়াৰ অভ্যুত্থানৰ বিষয়ে জানিব পাৰিব
- জন সম্পর্কৰ লগত জড়িত বিষয়বস্তুসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- কেনেকৈ জন সম্পর্কৰ লগত জনমত, সাংবাদিকতা, অর্থনীতি, সংবাদ মাধ্যম আৰু সর্বশেষত সমাজো জড়িত হৈ আছে সেই বিষয়ে আলোচনা কৰিব পাৰিব
- জন সম্পর্কৰ প্রক্রিয়াসমূহৰ লগতে সমাজতত্ত্ব আৰু মনস্তত্ত্বৰ লগত থকা ইয়াৰ সম্পর্কৰ বিষয়েও জানিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টোৱে শিক্ষার্থীক সমাজত জন সম্পর্কৰ ধাৰণা, ইতিহাস, অনুশীলন, আৰু প্রাসংগিকতাৰ বিষয়ে পৰিচয় কৰাব। তাৰ লগতে জন সম্পর্কৰ লগত সমাজৰ অন্যান্য মুখ্য দিশসমূহ যেনে জনমত, সংবাদ মাধ্যমৰ সত্য, ঐক্যমতৰ সৃষ্টিৰ সম্পর্ক, আৰু জন সম্পর্কই নিয়ন্ত্রণ কৰিব খোজা ব্যক্তি বিশেষৰ সামূহিক আচৰণৰ কাৰকসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হ'ব।

সাধাৰণতে দেখা যায় যে জন সম্পর্কৰ এক বৃহৎ অংশ বিৱৰণ সৃষ্টিৰ দ্বাৰা সংগঠিত হৈছে। অন্য অর্থত, কাহিনী এটাৰ বর্ণনাৰ পৰা। এই কাহিনীটো এনেদৰে সজোৱা হয় যাতে ইয়াৰ এক নির্দিষ্ট ভংগীমা থাকে, যিটোৱে কিছুমান নির্দিষ্ট ব্যক্তি, মানুহৰ গোট বা দুয়োটাকে আৰ্কষণ কৰিব পাৰে, যাক প্রভাৱিত কৰাই হ'ল কাহিনীটোৰ লক্ষ্য। আমি এইটোৱেই অধ্যয়ন কৰিম যে কেনেদৰে মনত এক নির্দিষ্ট লক্ষ্য লৈ এই বিৱৰণ সৃষ্টিৰ ৰূপে সামাজিক সম্পর্কসমূহৰ সৃষ্টি (আৰু তত্ত্বাৱধান)-ত সহায় কৰে যিটো জন সম্পর্কৰ শেষ লক্ষ্য।

১২.৩ জনসম্পর্কৰ ধাৰণা

যেতিয়া কোনোবাই *'জন'* আৰু 'সম্পর্ক' শব্দ দুটা একেলগে শুনে, তেতিয়া সাধাৰণ অর্থত এজন ব্যক্তিৰ বিষয়ে ধাৰণা কৰি লোৱা হয় যিয়ে সর্বসাধাৰণলৈ তেনেদৰে সেৱা আগবঢ়ায়, যেনেদৰে এজন খাদ্য পৰিৱেশন কর্তা, এজন অভ্যর্থনাকাৰী বা এজন বক্তাই আগবঢ়াব, য'ত এজন মানুহে সম্পর্ক গঢ়ি তুলিবলৈ এনে ধৰণৰ সেৱা আগবঢ়াব যাৰ জৰিয়তে এই নির্দিষ্ট সেৱা আগু�ৱাই নিব পাৰি। মানুহৰ লগত সম্পর্ক স্থাপন আৰু সেৱা আগবঢ়োৱাৰ ক্ষেত্রত এইধৰণে চিন্তা কৰিব পাৰি। কিন্তু, ইতিমধ্যে আঙুলিয়াই দিয়া অনুসৰিয়েই, *সম্পর্ক স্থাপন* আৰু *সেৱা আগবঢ়োৱাৰ* বাহিৰেও জন সম্পর্কৰ লগত অন্য এক উপাদান জড়িত হৈ আছে, আৰু সেয়া হৈছে *উদ্দেশ্যধর্মী প্রচাৰ*।

জন সম্পর্ক সাধাৰণতে কিহৰ লগত জড়িত সেয়া বুজিবলৈ আমি এই প্রত্যেকটো মুখ্য শব্দ (যেনে, প্রচাৰ) চালি-জাৰি চাব লাগিব। এই বিষয়ে বুজাৰ অন্য এক উপায় হ'ল, ইয়াৰ কাম কেনেদৰে সম্পন্ন হয় তাক অধ্যয়ন কৰা। কিন্তু এই দিশসমূহ অধ্যয়ন কৰাৰ আগতে জন সম্পর্কৰ এক কার্য্যকৰী সূত্রৰ পৰিচয়ে বিষয়টো অধিক ফটফটীয়া কৰি তোলাত সহায় কৰিব।

ইনষ্টিটিউট অফ পাব্লিক ৰিলেশ্যনছ, য়ুনাইটেড কিংডম (২০০৩)-ৰ মতে জন সম্পর্ক হ'ল *"এটা সংগঠন আৰু জনসাধাৰণৰ মাজত সদিচ্ছা আৰু বুজাবুজিৰ ভাৱৰ প্রতিষ্ঠা আৰু সেই ভাৱ বর্তাই ৰখাৰ এক পৰিকল্পিত আৰু দীর্ঘম্যাদী প্রচেষ্টা।"* গতিকে, এই সূত্রটোৰ পৰা আমি জন সম্পর্কৰ প্রচেষ্টা কি হোৱা উচিত সেই বিষয়ে অনুধাৱন কৰিব পাৰোঁ। এই প্রচেষ্টাৰ কেইটামান মুখ্য বৈশিষ্ট্য হ'ল —

১) এয়া গতিশীল, যাৰ অর্থ হৈছে এক নিৰৱচ্ছিন্ন প্রয়াস অব্যাহত ৰাখিবলৈ ই সেৱা আগবঢ়ায়।

২) এই প্রয়াসৰ পৰিচালনা কিছুমান নির্দিষ্ট লক্ষ্য ৰাখি কৰা হয়।

৩) বেছিভাগ ক্ষেত্রতে ই হ'ল এটা সংগঠন আৰু জনসাধাৰণৰ একাংশৰ মাজৰ দ্বিপাক্ষিক চুক্তি।

১২.৪ জন সম্পর্কৰ এক সংক্ষিপ্ত ইতিহাস

জন সম্পর্ক আধুনিক যুগৰ পৰিঘটনা নহয়। গৰিষ্ঠ সংখ্যক জনতাৰ মতামতক প্ৰভাৱিত কৰাৰ প্ৰচেষ্টা ইতিহাসৰ পাততে সততে দেখা যায়, বিশেষকৈ যিবোৰ উদ্দেশ্যধৰ্মী প্ৰচাৰ, ৰাজনীতি, বা ৰাষ্ট্ৰৰ লগত জড়িত। কিন্তু অধ্যয়নমূলক বিষয় হিচাপে ই অধিক স্পষ্ট হৈ পৰিছিল এডৱাৰ্ড এল. বাৰ্ণে-ৰ (Edward L. Bernay) কৰ্মৰাজিৰ জৰিয়তে, যিজনক প্ৰায়ে জন সম্পর্কৰ পিতৃ বুলি অভিহিত কৰা হয়।



ছিগমাণ্ড ফ্ৰয়েড (Sigmund Freud), যিয়ে মনৰ সচেতন আৰু অৱচেতন অৱস্থাৰ বিষয়ে পোনপ্ৰথমবাৰৰ বাবে অধ্যয়ন কৰিছিল, তেওঁ কৈছিল যে মানুহৰ মনৰ গভীৰতম অংশত কিছুমান আদিম আৰু আক্ৰমণাত্মক যৌন শক্তিয়ে বসবাস কৰে। তেওঁৰ এইবোৰ শক্তিক মানুহক নিয়ন্ত্ৰণ কৰাৰ হেতু হিচাপে গ্ৰহণ কৰিছিল, অন্যথা এইবোৰে সমাজখন বিশৃংখলতা আৰু অস্থিৰতাৰ দিশলৈ ঠেলি দিয়াৰ সম্ভাৱনীয়তা থাকে, যদিহে এইবোৰৰ পৰীক্ষা-নিৰীক্ষা কৰা নহয়।

ফ্ৰয়েডৰ ভাগিন এডৱাৰ্ড এল. বাৰ্ণে-য়ে তেওঁৰ মোমায়েকৰ তত্ত্ব আৰু জ্ঞানৰাজি ব্যৱহাৰ কৰি এক নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ মতামতক প্ৰভাৱান্বিত কৰা প্ৰথমজন ব্যক্তি আছিল। মানুহৰ আভ্যন্তৰীণ বাসনাৰ পৰিপূৰণে মানুহক সুখী আৰু বাধ্য কৰি তোলে, যাৰ জৰিয়তে নিয়ন্ত্ৰণৰ সম্ভাৱনা থাকে। এই উপলব্ধিয়ে দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰত মহিলা জনসংখ্যাৰ মাজত চিগাৰেট বিক্ৰী কৰাৰ প্ৰচাৰ অভিযান সফল কৰি তুলিছিল। তাৰ আগলৈকে চিগাৰেট এনে এবিধ সামগ্ৰী আছিল যিটো বিক্ৰীৰ নিৰ্ধাৰিত গ্ৰাহক কেৱল পুৰুষ আছিল। বাৰ্ণেয়ে এই লক্ষ্যত উপনীত হ'বলৈ অৱচেতন মনেৰেই চিগাৰেটৰ দণ্ডডাল আৰু মহিলাৰ স্বাধীনতাৰ মাজত এক যোগসূত্ৰ স্থাপন কৰিলে, যিটো সেই সময়ত এক উদীয়মান সামাজিক পৰিঘটনা আছিল।

গতিকে আমি দেখা পাওঁ যে জন সম্পর্কৰ ইতিহাস আৰু কুৰি শতিকাৰ আৰম্ভণিতে উদিত হোৱা *ভোগবাদ* আৰু *বিজ্ঞাপন প্ৰচাৰৰ* মাজত এক যোগসূত্ৰ আছে, যদিও দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ সময়ছোৱাত এক অনিয়তাকাৰ ৰূপত জন সম্পর্কক উদ্দেশ্যধৰ্মী প্ৰচাৰৰ জৰিয়তে ৰাষ্ট্ৰসমূহে অভ্যন্তৰীণ সমৰ্থন লাভ কৰিবলৈ ব্যৱহাৰ কৰিছিল।

১২.৫ জন সম্পর্কৰ বিষয়বস্তু আৰু পদ্ধতি

বৰ্তমানলৈকে জন সম্পর্কৰ এক নিৰ্ভুল ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ ইয়াৰ কোনো নিৰ্দিষ্ট বিষয়বস্তু নাই। কিন্তু ইয়াক সম্পন্ন কৰাৰ প্ৰক্ৰিয়াতে কিছু-কিছু বিষয়বস্তুৰ ব্যৱহাৰ হয়।

সাধাৰণ অৰ্থত, প্ৰক্ৰিয়াটো তলত উল্লেখ কৰা হ'ল —

১) অভ্যন্তৰীণ আৰু বাহ্যিক পৰিৱেশৰ পৰিপ্ৰেক্ষিতত এক পৰ্যবেক্ষণ কৰা হয়। ইয়াৰ দ্বাৰা জন সম্পর্ক স্থাপন কৰা সংগঠনটোৰ ভিতৰুৱা পৰিৱেশ আৰু দৰ্শক আৰু জনতাৰ অৱস্থাক বুজোৱা হৈছে যাক ই ঢুকি পোৱাৰ প্ৰয়াস কৰিছে। জন সম্পর্ক স্থাপন কৰা সংগঠনটোৰ নিজৰ

ওপৰত তথা জনসাধাৰণে ইয়াক কেনেদৰে গ্ৰহণ কৰিব সেই ভাবধাৰা কামটো সফলতাৰে সম্পন্ন হোৱাৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ।

নি থোৱা ভাল
rd L. Bernay



২) কিছুমান সুস্পষ্ট লক্ষ্য নিৰ্ধাৰণ কৰা - যেনে, এক সীমিত বাজেটৰ ভিতৰতে কাম সম্পন্ন কৰা, লক্ষ্য হিচাপে নিৰ্ধাৰিত জনসংখ্যাৰ পৰা আকাংক্ষিত মতামতৰ পৰিমাপন আৰু কৰা, কামটোৰ বাবে উপযুক্ত সংবাদ মাধ্যম বাচনি কৰা আৰু জন সম্পৰ্ক স্থাপন কৰা সম্প্ৰচাৰৰ বাবে সঠিক কাহিনী বা বাৰ্তা নিৰ্বাচন কৰা।

এই প্ৰক্ৰিয়াটোৰ বাহিৰেও অন্য কিছুমান বিষয়বস্তুও যিকোনো জনসংযোগী সম্প্ৰচাৰত ৰিব পাৰি —

১) সংবাদ উপযোগী কাৰক - জন সম্পৰ্ক স্থাপন কৰিবলৈ কৰা সম্প্ৰচাৰত এনেধৰণৰ বিচৰা যিবোৰে জনসাধাৰণক আকৰ্ষিত কৰিব পাৰে আৰু যাৰ বাবে এইবোৰ সংবাদ হয়।

২) বাণিজ্যিক বাৰ্তা - জন সম্পৰ্ক স্থাপন কৰা সংগঠনটোৱে বিক্ৰী কৰিব খোজা ধাৰণা এটাৰ ফলপ্ৰসূতাৰ পৰোক্ষ (প্ৰত্যক্ষৰ পৰিৱৰ্তে) প্ৰদৰ্শনেৰে বাৰ্তা প্ৰদান কৰা, যাতে এইটো বিক্ৰী কৰাৰ সম্ভাৱনীয়তা বৃদ্ধি পায়।

৩) লক্ষ্য হিচাপে নিৰ্ধাৰিত সংবাদ মাধ্যম - জন সম্পৰ্ক স্থাপন কৰিবলৈ কৰা সম্প্ৰচাৰৰ সৰ্বাধিক আৰু সফল প্ৰদৰ্শনৰ বাবে উপযুক্ত সংবাদ মাধ্যম বাছনি কৰা।

৪) লক্ষ্য হিচাপে নিৰ্ধাৰিত জনতা - জন সম্পৰ্ক স্থাপন কৰিবলৈ কৰা সম্প্ৰচাৰটো এনেদৰে পৰিচালনা কৰা যাতে লক্ষ্য হিচাপে নিৰ্ধাৰিত জনতাক ই অধিক আকৰ্ষিত কৰিব পাৰে। এই কামটো লক্ষ্য হিচাপে নিৰ্ধাৰিত কৰা সংবাদ মাধ্যমৰ কামৰ তালে তালে সম্পন্ন হয়।

১২.৬ জন সম্পৰ্ক আৰু সমাজ

বিজ্ঞাপন প্ৰচাৰ হ'ল অন্য এক কাৰ্য যিটোক মানুহে প্ৰায়ে জন সম্পৰ্ক বুলি ভুল কৰে। যদিও এইয়া সঁচা নহয়, তথাপিও এই দুটাৰ মাজত কিছু সাদৃশ্য দেখা যায়। আমি এই কথা বুজাটো দৰকাৰ যে বিজ্ঞাপন প্ৰচাৰক জন সম্পৰ্কৰে এটা অংশ বুলি গণ্য কৰিব পাৰি, পাৰ্থক্যটো এইটোৱেই যে বিজ্ঞাপন প্ৰচাৰৰ লগত এক অৰ্থনৈতিক দিশ জড়িত হৈ আছে য'ত কোনো সামগ্ৰী বা ধাৰণা বিক্ৰী কৰা হয়।

বহল অৰ্থত আমি এইটোও দেখা পাও যে জন সম্পৰ্কৰ লগত সম্প্ৰচাৰো জড়িত হৈ আছে। কোনো ধৰণৰ ক্ৰয় বা বিক্ৰীৰ লক্ষ্য নৰখাকৈ জনসাধাৰণক প্ৰভাৱান্বিত কৰিবলৈকে তেওঁলোকৰ আগত এখন চিত্ৰৰ ইচ্ছাকৃত আৰু নিয়মিত প্ৰচাৰ কৰাও জন সম্পৰ্কৰ কাৰ্যাৱলীৰে অন্তৰ্গত। এই কথা লক্ষ্যনীয় যে জন সম্পৰ্কৰ বৃহদাংশই কোনো নিৰ্দিষ্ট জনসংখ্যাক কোনো নিৰ্দিষ্ট সামগ্ৰী বা ধাৰণা বিক্ৰী কৰাৰ লগত জড়িত। সেই সামগ্ৰী বা ধাৰণাটো জন সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰচাৰ চলোৱা সংগঠনটোৰো হ'ব পাৰে নাইবা অন্য কোনো ব্যক্তি বা সংগঠনৰো হ'ব পাৰে যাৰ সেৱাৰ অৰ্থে এই জন সম্পৰ্ক স্থাপন কৰি প্ৰচাৰ চলোৱা হয়।

গতিকে আমি এনে কিছুমান বৈশিষ্ট্য দেখা পাও যিবোৰে নির্দিষ্ট বিষয়, তাত্ত্বিক প্রয়োগ, আৰু কার্য-প্রণালীসমূহৰ পৰিধি পাৰ কৰি যায় -

১) সুকীয়া হোৱা (সম্প্রচাৰটোৰ সফলতাৰ বাবে এক প্রতিযোগিতামূলক ভাৱধাৰা বাঞ্ছনীয় বুলি ধৰি লোৱা হয়)।

২) (জন সম্পর্ক স্থাপন কৰা সংগঠন আৰু জনসাধাৰণৰ মাজত) সামাজিক সম্বন্ধ গঢ়ি তোলা যাৰ জৰিয়তে কোনো এক ধাৰণা বা সামগ্রী আগবঢ়াই নিয়াত সহায় হ'ব।

৩) অর্থনৈতিক কার্যকলাপ আৰু ৰাজনৈতিক ভংগী (কিছু কিছু ক্ষেত্র ত দেখাৰ দৰে য'ত এখন জন সম্পর্ক স্থাপন কৰা প্রতিষ্ঠানক পুঁজিৰ নাটনি হোৱা কোনো এক ব্যৱসায়িক প্রতিষ্ঠানৰ এক সমৃদ্ধিশালী প্রতিচ্ছবি জনসাধাৰণৰ মাজত বিজ্ঞাপনৰ জৰিয়তে প্রদর্শন কৰিবলৈ নিযুক্তি দিয়া হয় যিখনৰ প্রতি পূর্বতে জনসাধাৰণৰ ভাল দৃষ্টিভংগী নাছিল)।

কোনোবাই প্রশ্ন কৰিব পাৰে যে জন সম্পর্কৰ প্রয়োজনীয়তা কি? সাধাৰণতে সামাজিক কাম-কাজত জন সম্পর্কৰ ভূমিকা তেতিয়া আহে যেতিয়া ক) লক্ষ্য হিচাপে নির্ধাৰণ কৰা জনসংখ্যাৰ মাজত কিবা চাহিদা বা সম্ভাৱনা দেখা যায়, খ) কোনো ব্যক্তি, গোট, বা সংগঠন এটাৰ কোনো ধাৰণা বা সামগ্রী আগুৰাই নিয়াৰ প্রয়োজনীয়তা আহি পৰে, গ) প্রথম দুয়োটা সংযোগ কৰাৰ ক্ষেত্র ত সমস্যাই দেখা দিয়ে য'ত দুয়োটাৰে মাজত অনুকুল সম্বন্ধ সৃষ্টিৰ জৰিয়তে চাহিদা বা সম্ভাৱনীয়তা (ক-ত উল্লেখ কৰাৰ দৰে) ধাৰণা বা সামগ্রীৰ (খ-ত উল্লেখ কৰাৰ দৰে) দ্বাৰা পূৰণ কৰা হয়।

অৱশ্যে তাতোকৈ ডাঙৰ কথাটো হ'ল জন সম্পর্ক স্থাপন কৰা প্রতিষ্ঠান আৰু লক্ষ্য হিচাপে নির্বাচন কৰা জনসংখ্যাৰ মাজত এক অনুকুল প্রতিচ্ছবি আৰু সুস্থায়ী সম্পর্ক স্থাপন কৰা। এইটো ভোগবাদ (য'ত দৈনিক প্রয়োজনীয়তাতকৈ বিলাসীতাৰ বাবেহে দ্রব্য আৰু সেৱা ভোগ কৰা হয়, আৰু যিটোৰ সমাধা কৰিবলৈ এনে কিছুমান পদ্ধতি বাচি লোৱা হয় যিবোৰ এজনৰ পদমর্যাদা আৰু আর্থসামাজিক পৰিস্থিতিৰ লগত খাপখোৱা) শীর্ষক সামাজিক পৰিঘটনাটোৰ আঁৰৰ মুখ্য চালিকাশক্তি। ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ লগত থকা মানুহৰ এই অদৃশ্য সম্পর্কৰ ওপৰতেই মূলতঃ ভোগবাদ প্রতিষ্ঠিত, য'ত বিভিন্ন ব্রেণ্ডসমূহে বজাৰৰ অংশ লভিবৰ বাবে প্রতিযোগিতাত নামে।



অনুশীলনী (ক)

প্রশ্ন নং ১ ঃ কোনটোৰ খৰচ বেছি হ'ব— সামগ্রী এটাৰ বিজ্ঞাপন নে তাৰ বিষয়ে তোলপাৰ লগাব পৰা জনসম্পর্ক স্থাপন কৰা প্রতিষ্ঠান এটাৰ নিযুক্তি?

অনুশীলনী (খ)

প্রশ্ন নং ২ ঃ এই কথাষাৰৰ বিষয়ে ভাবক — "কোনো ধৰণৰ জনসম্পর্ক নথকাতো হৈছে বেয়া জনসম্পর্ক।"



১২.৭ সাংবাদিকতা, জন সম্পর্ক আৰু জনমত

যেতিয়া কাৰোবাক সাংবাদিকতা কি আৰু ই কি হোৱা উচিত বুলি প্ৰশ্ন কৰা হয়, তেতিয়া এই কথা স্পষ্ট হৈ পৰে যে ইয়াৰ লগত সত্যৰ সম্পৰ্ক এটা অতি গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ অন্য কিছুমান দিশো আছে, যেনে সত্য অন্বেষণৰ প্ৰক্ৰিয়াটোত যিকোনো বাহ্যিক প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ লগতে এক দূৰত্ব বজাই ৰখা। চমুকৈ আমি এইদৰেই ক'ব পাৰো যে সাংবাদিকতা হৈছে সত্যৰ অন্বেষণ আৰু অন্তিম প্ৰদৰ্শন, য'ত কোনো বাহ্যিক পৰিঘটনাই সেই সত্যৰ কোনো সালসলনি ঘটাব নোৱাৰে।

"সংবাদ হ'ল সেইবোৰ যিবোৰ ক'ৰবাত কোনোবাই প্ৰকাশ হোৱাটো নিবিচাৰে। বাকী অন্যবোৰ হ'ল বিজ্ঞাপন।" - নৰ্থক্লিফ ডক্ট্রিন নামেৰে জনাজাত এই কথাষাৰে সাংবাদিকতা আৰু সংবাদ প্ৰস্তুতিকৰণৰ বিষয়ে এক গূঢ় বাস্তৱ সত্যক আঙুলিয়াই দিয়ে যে আমি বিভিন্ন সংবাদ মাধ্যমৰ পৰা লাভ কৰা তথ্যসমূহৰ বেছিভাগেই কিছুমান বিশেষ লক্ষ্য পূৰণৰ বাবে গঢ় দিয়া হয়। সাংবাদিকসকলে তেওঁলোকৰ কাহিনীসমূহ অবিকলভাৱেই প্ৰদৰ্শন কৰে, নে তেওঁলোকে কাম কৰা সংবাদ প্ৰতিষ্ঠানটোৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ তেওঁলোকে বুজাবুজিৰ আশ্ৰয় লয়? এইখিনিতেই জন সম্পৰ্কই জনমত গঠন কৰাৰ প্ৰশ্নটো আহি পৰে।

বৰ্তমান সময়ত জন সম্পৰ্কৰ কাম-কাজে সাংবাদিকতাৰ সাৰমৰ্মক প্ৰায় স্থানচ্যুত কৰিছে। কাহিনী বা তথ্যক ব্যক্তিগত বা ব্যৱসায়িক স্বাৰ্থজনিত কাৰণত এনে পৰ্যায়লৈকে প্ৰভাৱান্বিত কৰা হৈছে যে এনে ধৰণৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰা প্ৰতিষ্ঠানসমূহৰ বিৱৰণীৰ লগত জনসাধাৰণৰ মতামতৰ বিশেষ একো বৈসাদৃশ্য দেখা নাযায়। এয়া সংঘটিত হোৱাৰ এটা প্ৰধান কাৰণ হ'ল বজাৰ ব্যৱস্থা আৰু পুঁজিবাদ। সাংবাদিকতাৰ পৰম্পৰাগত পদ্ধতিসমূহৰ পৰিৱৰ্তে বৰ্তমানৰ তথ্য নিয়ন্ত্ৰণ কৰা এনেধৰণৰ জন সম্পৰ্ক স্থাপন কৰা প্ৰতিষ্ঠানসমূহে অধিক বেতন লাভ কৰাৰ ফলশ্ৰুতিত অধিক তথ্য উৎপন্ন কৰে যিবোৰ উপযুক্ত মাধ্যমেৰে প্ৰচাৰ কৰা হয়।

তথাপিও এই কথা মানি লোৱা মূর্খামি হ'ব যে আচল সাংবাদিকতাই জন সম্পর্কৰ ব্যৱহাৰ নকৰে। উচ্চপদস্থ বিষয়া বা প্রতিষ্ঠানৰ পৰা তথ্য লাভ কৰিবলৈ যেতিয়া কঠিনতাৰ সন্মুখীন হ'বলগীয়া হয়, তেতিয়া সাংবাদিকসকলে এই তথ্য লাভ কৰিবলৈ কিছুমান মধ্যস্থতাকাৰীৰ কাষ চাপে। বহু সময়ত এই মধ্যস্থতাকাৰীসমূহ কিছুমান জন সম্পর্ক স্থাপন কৰা প্রতিষ্ঠান হয় যাৰ হাতত পূর্বতে উল্লেখ কৰা ব্যক্তিসকলৰ সফল প্রতিচ্ছবি জনসাধাৰণৰ আগত দাঙি ধৰাৰ দায়িত্ব আৰোপন কৰা হয়। আকৌ, এই কথা মনত ৰখা উচিত যে বর্তমান যুগত সাংবাদিকতাক জন সম্পর্ক স্থাপন কৰা প্রতিষ্ঠানসমূহে যোগান ধৰা তথ্যসমূহে স্থানান্তৰ কৰিছে।



অনুশীলনী (গ)

যিকোনো এখন বাতৰিকাকতত বিজ্ঞাপন আৰু বাতৰিৰ অনুপাতলৈ লক্ষ্য কৰক।

১২.৮ জন সম্পর্ক আৰু সমাজতত্ত্ব

কোনোবাই উৎসুকতাৰে এক প্রশ্ন কৰিব পাৰে যে জন সম্পর্ক আৰু সমাজতত্ত্ব নামৰ অধ্যয়নমূলক বিষয়টোৰ মাজত সম্বন্ধ কি। আমি এই প্রশ্নটোৰ উত্তৰ তেতিয়াহে নির্ধাৰণ কৰিব পাৰিম যেতিয়া আমি সমাজতত্ত্ব কি বা ইয়াৰ উদ্দেশ্যৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব পাৰোঁ। এই কথা মনত ৰাখি, বর্তমানৰ বাবে, সমাজতত্ত্বৰ বিষয়ে এক সাধাৰণ আভাস লাভ কৰো আহক। সমাজতত্ত্ববিদ মাইকেল বুৰাৱইৰ (জন্ম-১৯৪৭) মতে সমাজতত্ত্ব হ'ল সামাজিক বাতাবৰণৰ সন্মুখত ৰখা এখন দাপোণ, য'ত সমাজৰ লগত সম্বন্ধ ৰখাকৈ আমি নিজকে প্রত্যক্ষ কৰিব পাৰো।

এই ধাৰণাটো মনত ৰাখি আমি আমাৰ অব্যৱহিত সমাজখনৰ পৰিপ্রেক্ষিতত জন সম্পর্কৰ ভূমিকাক প্রত্যক্ষ কৰিব পাৰোনে? জনসংযোগক তেতিয়া ৱেবাৰৰ সামাজিক কার্যাৱলীৰ (Weberian social action) এটা ৰূপ, বিশেষকৈ *গুৰুত্বপূর্ণ যুক্তিনির্ভৰ কার্য* (Instrumental Rational Action) যেন লাগিব। আমি ইয়াক ডুৰখেইমৰ দৃষ্টিভংগীৰ পৰাও চাব পাৰো, য'ত জন সম্পর্কই সামাজিক ঐক্য আৰু ঐক্যমত অনাত এক *সক্রিয়* ভূমিকা পালন কৰে, যদিওবা সেই ঐক্যমত সমাজৰ শাসনাধীস্থ শ্রেণীৰ স্বার্থক ভিত্তি কৰি সংগঠিত হয় যিটো বৰ বেছি সমতাবাদী বা সাধাৰণ জনতাৰ মতামত নহয়। ইয়াৰ বিপৰীত দৃষ্টান্তটোও সত্য হ'ব পাৰে, য'ত মার্ক্সীয় প্রত্যয়জনক পন্থাৰ এক সংঘাতমূলক দৃষ্টিভংগীয়ে ইয়াকে প্রকাশ কৰে যে নির্দিষ্ট আদর্শত বিশ্বাসী প্রতিযোগী জন সম্পর্ক স্থাপন কৰা প্রতিষ্ঠানসমূহে যোগান ধৰা তথ্যসমূহ পৰস্পৰ বিৰোধী হ'ব পাৰে।

যিকোনো ক্ষেত্র তে আমি জন সম্পর্কৰ সমাজতাত্ত্বিক প্রাসংগিকতা আৰু ইয়াৰ জ্ঞানে কেনেদৰে সামাজিক কাম-কাজত ইয়াৰ অধিক তথ্যসমৃদ্ধ ব্যৱহাৰত সহায় কৰিব পাৰে তাক

প্ৰত্যক্ষ কৰিব পাৰো। জন সম্পৰ্কই কিছুমান সমস্যা— যিবোৰ সমস্যা সমাজতত্ত্বৰ অধ্যয়নৰ আওঁতাত পৰে - তাৰ সমাধানৰ ক্ষেত্ৰ ত সমাজতত্ত্বৰ জ্ঞানৰাজি আৰু কৰ্মপদ্ধতিৰো আশ্ৰয় ল'ব পাৰে যাৰ সহায়ত জনসাধাৰণৰ লগত আৰু অধিক ফলদায়ক সম্বন্ধ গঢ়ি তুলিব পাৰি। সমাজৰ পৰিপ্ৰেক্ষিতত জন সম্পৰ্কৰ এই জ্ঞান নৈতিকতা সম্বন্ধীয় প্ৰশ্ন কিছুমান বিবেচনা কৰোতেও বুজিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'জন সম্পৰ্কৰ পিতৃ' বুলি কাক জনা যায়?

.....

প্ৰশ্ন নং ২ ঃ 'লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰা জনতা' বুলিলে কি বুজোৱা হয়?

.....

প্ৰশ্ন নং ৩ ঃ জন সম্পৰ্কৰ উপাদানসমূহ কি কি?

.....



১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এক অধ্যয়নৰ বিষয় হিচাপে জন সম্পৰ্কৰ উত্থান হৈছিল দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ সময়ছোৱাৰ পৰা, যদিও তাৰ আগতেও অন্য ৰূপত ইয়াৰ অস্তিত্ব দেখা যায়।
- ফ্ৰয়ডৰ অৱচেতন মনৰ তত্ত্বসমূহৰ দ্বাৰা ই যথেষ্ট প্ৰভাৱান্বিত হৈছিল যাক বাস্তৱিকভাৱে আগবঢ়াই নিছিল এডৱাৰ্ড এল. বাৰ্ণেয়ে, যিয়ে এই অধ্যয়নৰ বিষয় হিচাপে ইয়াক অধিক স্পষ্ট কৰি তুলিছিল।
- জন সম্পৰ্কৰ প্ৰক্ৰিয়া আৰু বিষয়বস্তুসমূহ মূলতঃ জন সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰচাৰ কৰা প্ৰতিষ্ঠানটো আৰু লক্ষ্য হিতাপে নিৰ্ধাৰণ কৰা জনসাধাৰণৰ এক সম্যক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সৰ্বশেষত, ইয়াৰ উদ্দেশ্য হ'ল উপভোক্তা আৰু লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰা জনসাধাৰণৰ মাজত এক অনুকূল সম্বন্ধৰ সৃষ্টি কৰা।
- জন সম্পৰ্কই সমাজত যথেষ্ট প্ৰভাৱ পেলায়। ইতিমধ্যে ইয়াৰ অৰ্থনৈতিক, সামাজিক, আৰু ৰাজনৈতিক প্ৰভাৱ দেখা গৈছে যাৰ উদাহৰণ হিচাপে ভোগবাদ, সাংবাদিকতা আৰু জনমতৰ কথা উল্লেখ কৰিব পাৰি।
- জন সম্পৰ্কক সামাজিক কাৰ্যাৱলীৰ এক ৰূপ হিচাপেও চাব পাৰি যিয়ে এক সক্ৰিয় ভূমিকা পালন কৰে। সেই ভূমিকাক এক প্ৰতিযোগিতামূলক সমাজৰ দৃষ্টিভংগীৰেও চাব পাৰি।
- সৰ্বশেষত, নৈতিকতাৰে ব্যৱহাৰ কৰিলে, ই এক উচ্চ মানবিশিষ্ট সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।



১২.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Adams, B. N. (2001) & R.A. Sydie, Sociological Theory; Pine Forge Press.
2. Journalism - A Very Short Introduction (Oxford), (2005), Oxford university Press.
3. Theaker, A. (2004) : The Public Relations Handbook; Routledge.
4. Public Relations for Dummies by Eric Javerbaum with Robert Bly and Ilise Benun



১২.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এডৱার্ড এল. বার্ণে।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'লক্ষ্য হিচাপে নির্ধাৰিত জনতা' সেই প্ৰক্ৰিয়াটোক বুজায় য'ত জন সম্পর্ক স্থাপন কৰা সম্প্ৰচাৰটো এনেদৰে পৰিচালনা কৰা হয় যাতে লক্ষ্য হিচাপে নির্ধাৰিত জনতাক ই অধিক আকর্ষিত কৰিব পাৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সম্পর্ক স্থাপন, সেৱা আগবঢ়োৱা, উদ্দেশ্যধর্মী সম্প্ৰচাৰ।



১২.১২ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ জন সম্পর্ক কি?

প্ৰশ্ন ২ ঃ ভোগবাদৰ সংজ্ঞা লিখক।

ৰচনাধর্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ নৰ্থক্লিফ ডক্ট্রিনৰ বিষয়ে এক চমু আভাস দিয়ক।

প্ৰশ্ন ২ ঃ জন সম্পর্ক আৰু সমাজতত্ত্বৰ মাজৰ সম্বন্ধৰ বিষয়ে এক আলোচনা আগবঢ়াওক।

*** ***** ***